**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

অসম মন্ত্ৰীসভাই জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ন্যায়িক প্ৰক্ৰিয়া সবল কৰাৰ বাবে বিশেষ চৰকাৰী অধিবক্তাৰ পাঁচজনীয়া এটা দল নিযুক্তিত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই অধিবক্তাৰ দলটোৱে জুবিন গাৰ্গৰ ন্যায়ৰ বাবে আদালতত যুঁজ দিব। মন্ত্ৰীসভাই লগতে অসমবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি সংৰক্ষণৰ বাবে পৰিয়াল আৰু শুভাকাংক্ষীয়ে গঠন কৰা জুবিন গাৰ্গ ন্যাসলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ বৰঙণি আগবঢ়োৱাত অনুমোদন জনায়।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিজেপি মিত্ৰজোঁট চৰকাৰে ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বাবে ‘এটি কলি, দুটি পাত’ নামৰ বিশেষ আঁচনি গ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ’ব। অহা ২৫ জানুৱাৰীত ডুমডুমাত এই আঁচনিৰ শুভাৰম্ভ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীসভাই বড়ো সাহিত্য সভাক এটা বহুমুখী প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ বেতকুছিত এবিঘা ভূমি আবণ্টনত অনুমোদন জনায়। তদুপৰি মৰিগাঁও, ডিব্ৰুগড় আৰু কাছাৰকে ধৰি কেইবাখনো জিলাত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত বহু পৰিমাণৰ ভূমিত আবণ্টন জনোৱা হয়। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত মন্ত্ৰীসভাত বিস্তৃতভাৱে আলোচনা হোৱাৰ কথা উল্লেখ কৰি কয়, যে ১৭ জানুৱাৰীৰ বিয়লি প্ৰধানমন্ত্ৰীৰ উপস্থিতিত প্ৰায় ১০ হাজাৰ শিল্পীয়ে বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব।

০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক আজি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত নিযুক্তি পত্ৰ প্ৰদান কৰা হ’ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ’ব। এই নিযুক্তি সম্পন্ন হ’লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

ইপিনে এ ডি আৰ ইত উত্তীৰ্ণ ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীৰ মাজত কালি নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। গুৱাহাটীৰ খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৰন্নন, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, ৰঞ্জিত কুমাৰ দাসকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ তৃতীয় সংস্কৰণ অহা ১৮ৰ পৰা ২১ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত হ’ব। বিশ্বৰ ২৫ খন দেশৰ ১৫০ জনতকৈও অধিক জনপ্ৰিয় লেখক, কবি, চিন্তাবিদে এই মহোৎসৱত অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়খনৰ ফাউণ্ডেচন ফৰ কালচাৰ, আৰ্টছ এণ্ড লিটাৰেচাৰৰ সহযোগত হ’বলগীয়া এই

মহোৎসৱত এন মৰ্গান, আব্দুৰহমান ৰাবেৰী, কিউং-ছুক শ্বিন, য়েছে দৰ্জি থংছি, গিডিয়ান হাইগ, মাই খালেদকে ধৰি বিশ্বৰ প্ৰখ্যাত সাহিত্যিক সকলে অংশগ্ৰহণ কৰিব। কবিতা, বিশ্বৰ কল্পকাহিনী, চলচ্চিত্ৰ আৰু ক্ৰীড়াক মূল বিষয়বস্তু হিচাপে লৈ এইবাৰৰ মহোৎসৱ অনুষ্ঠিত হ'ব। অনুষ্ঠানত মত বিনিময়, কৰ্মশালা আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

০০০০০০

যোৰহাট জিলাৰ পি এম শ্ৰী বিদ্যালয়সমূহৰ স্থিতি সন্দৰ্ভত জিলা আয়ুক্ত জয় শিৱানিৰ অধ্যক্ষতাত কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত ডিজিটেল পুথিভঁৰাল স্থাপন, ভাৰতীয় জ্ঞান ব্যৱস্থা, বৈদিক গণিত প্ৰসাৰ আৰু সেউজ বিদ্যালয়ৰ পদক্ষেপ ৰূপায়ণৰ বিশেষ গুৰুত্ব আৰোপ কৰি পি এম শ্ৰী বিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু অগ্ৰগতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। বিদ্যালয়ৰ সামগ্ৰিক প্ৰদৰ্শন বৃদ্ধি আৰু গুণগত শিক্ষা নিশ্চিত কৰাৰ প্ৰয়োজনীতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি বিদ্যালয়ৰ গুণগত মান মূল্যায়ন বিষয়ত আলোচনা কৰা হয়। পি এম শ্ৰী পদক্ষেপসমূহৰ সফল ৰূপায়ণ আৰু বিদ্যালয়ৰ মান উন্নত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

**সমাপ্ত**